গোপালচৰণ দ্বিজ
(১৬ শ শতিকা)

## গুৰু-সেৱা মাহাত্ম্য

### (শ্ৰীভক্তি-ৰত্নাকৰ-কথা, প্ৰথম মাহাত্ম্য)

শ্ৰীকৃষ্ণায় নমোনমঃ।।

শ্লোক।। গোপাল-জন-বল্লভং প্ৰিয়কৰং গোপাঙ্গনানাং মুদা।
পত্মাং যোঽহিভিমমৰ্দ্দ কদ্ৰু-তনয়ং ভীমং ভূজঙ্গাধিপং।।
তং বন্দে করুণাকৰং সুৰবৰৈঃ সেৱিতাংঘ্ৰিং সদা।
বৃন্দাৰণ্য-বিনোদ-কেলি-ৰসিকং কৃষ্ণং জগন্মঙ্গলং।।
প্ৰণম্য পৰমাত্মনং তদ্ভক্তানপি নিত্যশঃ।
স্মৃত্বা গুৰু-পদাম্ভোজং কথয়ামি শুভাং কথাম্।।
ৰত্নাকৰাখ্যমতিগূঢ়মশেষ-লোক-সংসাৰ-তাপ-বিৰমানমহত্তমেন।
শ্ৰীশঙ্কৰেণ ৰচিতং ৰচয়ামি গাথামালোক্য সাধুবচসাতিপ্ৰযত্নম্।।

কথা।। জয় জয় পৰম পুৰুষ, পুৰুষোত্তম, নন্দ-নন্দন, বৃন্দাবন-চন্দ্ৰ নিজ-জন-বল্লভ, গোপীসৱৰ প্ৰিয়কৰ, কালিয় সৰ্প-দৰ্প-দলন, ব্ৰহ্মা-মহেশো জাৰ চৰণ-কিঙ্কৰ, হেন বৃন্দাবন-বিনোদী জগন্মঙ্গল গোপৰূপী কৃষ্ণক কোটি বাৰ প্ৰণাম কৰো। পৰমাত্মাস্বৰূপ কৃষ্ণক প্ৰণাম কৰো। তদনন্তৰে বৈষ্ণৱসৱকো কোটি কোটি বাৰ প্ৰণাম। আবে গোপাল গুৰুৰ পদ-পদ্মক হৃদয়ে স্মৰি পৰম-মঙ্গল কৃষ্ণ-কথা কহোঁ। আবে সভাসদ লোক দেখ ঃ ওহি কামৰূপে ইমত ভক্তি নাছিল। আবে কৃষ্ণৰ একান্ত বাধ্য মহন্তসৱৰ অগ্ৰগণী শ্ৰীমন্ত শঙ্কৰ উদিত ভৈলা জাতো, এতেকেসে লোকত ইমত ভক্তি প্ৰচাৰিল। তেন্তেসে সমস্ত লোকৰ বান্ধৱ, জাৰ পুণ্য-যশে জগত ঢাকিল, সিটো মহাপুৰুষৰ মই কি মহিমা কহিবো অল্পমতি ব্ৰাহ্মণ ছৱাল হুয়া? তেহে সমস্ত লোকক দায়া কৰি ভক্তি-ৰত্নাকৰ-নাম পৰম গূঢ় গ্ৰন্থ কৰিলা। সেই ৰত্নাকৰৰ প্ৰযত্ন কৰিয়া কথা-বন্ধ নিবন্ধিবো। সাধুসৱৰ চৰণ শিৰোগত কৰি আৰু জানি সভাসদ লোক মোক নিনিন্দিবা। ইসৱ কথা এহিমানে ৰহোক। আবে ৰত্নাকৰ-গ্ৰন্থৰ কথা শুনা। পৰমকৃপালু শ্ৰীমন্ত শঙ্কৰে সকলো লোকৰ হিত

চিন্তি শ্লোকচয় আনি ভাগৱত গ্ৰন্থৰ অভিপ্ৰায় কহিবাক লাগি ৰত্নাকৰ শাস্ত্ৰ আৰম্ভিলা, ঠাই ঠাই তাতে কুতৰ্কীসৱৰ অসম্ভাৱনা গুচাইবে লাগি আন পুৰাণসৱৰো বচন দেখাইলা।

প্ৰথমে গ্ৰন্থৰ প্ৰতিপাদ্য ভগৱন্তক প্ৰণাম কৰন্ত : জাৰ ৰাম-কৃষ্ণাদি নাম-নাৱে মহাপাতকীসৱো অনায়াসে সংসাৰ-সাগৰ তৰি পৰম্পদক পাৱে, হেন সনাতন সদানন্দ কৃষ্ণক হৃদি মাজে উপাসা কৰো। জাৰ একলেশ কৃপা লভিল মাত্ৰকে মনুষ্যসৱে অভিমত পদ লভে, হেন অজ ঈশ্বৰৰ দুইখানি চৰণ-পদ্মক নতি কৰো। ভাগৱত শাস্ত্ৰ ভৈল দুগ্ধ-সাগৰ। অচ্যুতৰ কিঙ্কৰ শঙ্কৰে তাক মথিয়া উদ্ধাৰিলা জি নৱনীত-পিণ্ড, হে ধীৰসৱ, তাক তোৰাসৱে নিৰ্ম্মল বুদ্ধিয়ে সেৱা কৰা। আৰে সমস্ত শাস্ত্ৰৰ উদ্ধৰি ভক্তিৰত্নাকৰ নাম সাৰ-সংগ্ৰহ শ্ৰীশঙ্কৰে কৰন্ত। গ্ৰন্থৰ প্ৰথমে সমস্ত লোকৰ কুশলাৰ্থে ভক্তি-জ্ঞান-দাতা গুৰু-সেৱা-মাহাত্ম্য পঞ্চশ্লোকে কহন্ত।

দশম স্কন্ধত আশী অধ্যায়ত দৰিদ্ৰ দামোদৰক প্ৰতি ভগৱন্তে বোলন্ত : 'ভক্তি-জ্ঞান-দাতা গুৰুসে অত্যন্ত পূজ্য।' এই আশয়ে তিনিজন গুৰুক দেখান্ত : 'হে সখি, এই সংসাৰত জাত হন্তে জন্ম লভে, তাঙ্ক পিতৃ বোলে : তেহে প্ৰথম গুৰু পূজ্য হন্ত। আৰে কৰ্ম্ম-বিদ্যা-প্ৰদ গুৰু কহো : শুদ্ধ পুৰুষৰ উপনয়নক আদি বেদ-গ্ৰহণ পৰ্য্যন্তে সদকৰ্ম্মসৱ জাত হন্তে হোৱে, সেইজনকে দ্বিতীয় গুৰু বোলে। মই ঈশ্বৰ যেন, সিজনো তেনয়। পিতৃতো কৰি পূজ্য জানিবা। আৰো ভক্তি-জ্ঞান-দাতা গুৰুক শুনা : সকলো আশ্ৰমীৰ জ্ঞান-দাতা জি গুৰু, সিজন পুনু সাক্ষাতে মই, উপমা দিবাৰ ঠাই নাই।'

এতেকে জ্ঞান-দাতা গুৰুক আশ্ৰয় কৰি জিসৱে সংসাৰ তৰে তাৰাসে বুদ্ধিমন্ত : আকে দেখান্ত : 'হে ব্ৰাহ্মণ, এই মনুষ্য জন্মত, তাতে বৰ্ণাশ্ৰমে যুক্ত হয়ো জি নৰসৱে গুৰু-ৰূপে জি উপদেশ দেও : তাকে মাত্ৰ ধৰি অনায়াসে সংসাৰ-সাগৰ তৰে। তাৰাসে অৰ্থ-কোবিদ।'

জ্ঞান-দাতা গুৰুত পৰে অধিক সেৱা নাই, আক উক্ত কৰিলা : এই হেতুতেসে গুৰু-ভজনত অধিক ধৰ্ম্ম নাই, আকে কহন্ত : 'জানা বান্ধৱ, গৃহস্থ ধৰ্ম্মে, ব্ৰহ্মচাৰী ধৰ্ম্মে, বানপ্ৰস্থ-ধৰ্ম্মে, সন্ন্যাস ধৰ্ম্মেয়ো মই পৰমেশ্বৰ তেমনে তুষ্ট নোহো সকলে ভূতৰ আত্মা হৈতেও গুৰু-সেৱায়ে জেমনে তুষ্ট হও।

এইমতে গুৰু-সেৱাৰ ফল দেখাই : আৰে গুৰু-সেৱাৰ লক্ষণ কহন্ত। একাদশ স্কন্ধৰ তৃতীয় অধ্যায়ত প্ৰবুদ্ধ সিদ্ধে বোলন্ত : 'হে মহাৰাজ নিমি, জাৰাসৱে উত্তম শ্ৰেয়স জানিবে চাৱে, তাৰাসৱে প্ৰথমে গুৰুত শৰণ

লৈবেক। গুৰুৰ লক্ষণ শুনা : বেদৰ তত্ত্বক জানিব। বেদৰ তত্ত্ব নজানিলে সংশয় গুচাইবে নপাৰে। কৃষ্ণৰো একান্ত দাস হইব; ভক্ত নভৈলে শিষ্যত বোধ জন্মাইতে সমৰ্থ হই। যদি বোলা ভকত হেন কেমনে জানিম, তেবে তাৰ চিহ্ন শুনা : ৰাগ-লোভাদি নহৈলে ভকত যেন জানিবা, এহিমানে প্ৰবুদ্ধ-বচন উপসংহৰি থও।'

আৰোবাৰ গুৰু-সেৱাৰ মহিমা দেখাবাক লাগি পঞ্চম স্কন্ধৰ একাদশ অধ্যায়ত ৰহূগণক প্ৰতি ভৰতে জি বুলিচন্ত আকে দেখান্ত : গুৰু-সেৱাতেসে সংসাৰ নিস্তৰি, এই আশয়ে ভৰতে বোলন্ত : 'হে ৰহূগণ : এই মন বৰ বলৱন্ত, পৰম শত্ৰু : ই অসাৱধানত বাঢ়িছে, বিচাৰত মিছা : তথাপি জীৱক সৰ্ব্বনাশ কৰে। এই জানি তুমি সাৱধান হয়া গুৰুৰূপ হৰিৰ চৰণে সেৱাৰূপ তীক্ষ্ণ খাণ্ডা ধৰি মন-শত্ৰু কাটি ভৱ-নদীক তৰা।'

এইসৱক আদি আনো বচন অনুসাৰে কৃষ্ণত একশৰণ হয়া গুৰু-সেৱা কৰা : গুৰু-সেৱাতেসে সংসাৰ নিস্তৰি : গুৰু-সেৱা ছাৰি : যাগ যোগেদিয়ে সংসাৰ তৰাণ নজাই : এই অৰ্থ নিৰ্ণীত হৈল ভক্তিৰত্নাকৰত।।

শ্ৰীভক্তিৰত্নাকৰ-কথায়াং গোপালচৰণ-কৃতায়াং প্ৰথম-মাহাত্ম্যং।

আহে সামাজিক লোক, কৰযোৰ কৰি বোলো : সকল লোকৰ কুশল কৰ : এমন আমাৰ কাকুতি-বাণী শুনা। ইটো ঘোৰ কলিযুগত পাপ-সাগৰত গুৰু-সেৱা বিনে আন প্ৰকাৰে ভৱ-জলধি তৰাণ নজাই, হৰি দেৱো তুষ্ট নোহন্ত। আক জানি সৰ্ব্বজনে জিমান পাৰা গুৰু-সেৱা কৰা। গুৰুৰ উত্তম সেৱা শ্ৰৱণ-কীৰ্ত্তন। ই সৱ অৰ্থ জানি প্ৰথমে উচ্চ কৰি হৰি বোল হৰি।।